…টাৰ বাণী

…টা হ'বলৈ অপেক্ষা
…পুনি য'তে আছে
…ই আৰম্ভ কৰক
…ৰ যি আছে।

…জে আব্দুল কালাম


# অসম আদিত্য

সংখ্যা ১২০ ■ ২২ ব'হাগ, ১৯৪৫ শক ■ শনিবাৰ, ৬ মে', ২০২৩ ■ Asom Aditya, Dibrugarh, Saturday, May 6, 2023 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহাটীৰ…


### মুখ্যমন্ত্ৰীৰ ড° শৰ্মাক স্মাৰক-পত্ৰ প্ৰদান শ্বহীদ কুশল কোঁৱৰ স্মৃতিৰক্ষা সমিতিৰ

## কানৈ মহাবিদ্যালয়ক বিশ্ববিদ্যালয়লৈ উন্নীতকৰণৰ দাবী ডিব্ৰুগড়বাসীৰ

ডিব্ৰুগড়, ৫ মে' ঃ ডিব্ৰুগড়ৰ কানৈ মহাবিদ্যালয়খনিক বিশ্ববিদ্যালয়লৈ উন্নীত কৰাৰ বাবে ডিব্ৰুগড় জিলাৰ পৰা যোৱা শ্বহীদ কুশল কোঁৱৰ স্মৃতিৰক্ষা সমিতিয়ে ২৯ এপ্ৰিলত গুৱাহটীৰ জনতা ভৱনত মুখ্যমন্ত্ৰীৰ কাৰ্যালয়ত সমিতিৰ হৈ অনিলপ্ৰসাদ সিং, মাণিক বৈশ্য আৰু সদৌ অসম কৰ্মচাৰী পৰিষদৰ প্ৰাক্তন সভাপতি তথা মুখ্যমন্ত্ৰীৰ প্ৰাক্তন ডেপুটি চেক্ৰেটৰী প্ৰদীপ দত্তৰ লগত গৈ এখন স্মাৰক-পত্ৰ প্ৰদান কৰা হয়। ইয়াৰ পূৰ্বে শ্বহীদ কুশল কোঁৱৰ স্মাৰক সমিতিৰ হৈ সদ্য অৱসৰ লোৱা সদৌ অসম কৰ্মচাৰী পৰিষদৰ প্ৰাক্তন সভাপতি প্ৰদীপ দত্তক এখনি ফুলাম গামোচা আৰু শ্বহীদ কুশল কোঁৱৰৰ এখনি গ্ৰন্থ প্ৰদান কৰা হয়। ১৯৪৫ চনত প্ৰতিষ্ঠাপক অধ্যক্ষ ড০ যোগীৰাজ বসু, প্ৰতিষ্ঠাপক উপাধ্যক্ষ ড০ লক্ষীপ্ৰসাদ দত্ত, প্ৰতিষ্ঠাপক সম্পাদক অশ্বিনি চৰণ চৌধুৰী আৰু অন্যান্য বহুতো গণ্য-মান্য বিশিষ্ট শিক্ষাবিদ তথা নাগৰিকৰ উদ্যোগত ডি এইছ এছ কে মহাবিদ্যালয়খনিয়ে প্ৰতিষ্ঠা লাভ কৰিছিল। বৰ্তমানে এই মহাবিদ্যালয়খনিয়ে প্লেটিনাম জয়ন্তী উদ্‌যাপন কৰিলে। কটন আৰু জে বি মহাবিদ্যালয়ৰ পিছতে অসমত স্থাপন হোৱা তৃতীয়খন হ'ল এই ডি এইচ এছ কে কানৈ মহাবিদ্যালয়খনি। ছাত্ৰ-ছাত্ৰীৰ সংখ্যা আৰু চাহিদা অনুপাতে এই মহাবিদ্যালয়খনিত স্নাতকোত্তৰ শ্ৰেণী আৰু বৃত্তিমূলক পাঠ্যক্ৰম সংযোগ কৰি আৰু অধিক শৈক্ষিক বিকাশৰ প্ৰয়োজন। তদুপৰি বগীবিল দলং আৰু শদিয়াৰ ড০ ভূপেন হাজৰিকা সেঁতু মুকলি হোৱাৰ পিছত অৰুণাচল, নাগালেণ্ড, আৰু উজনি অসমৰ জিলা ধেমাজি, লখিমপুৰ, মাজুলী, বিশ্বনাথ, নগাঁও, চৰাইদেউ, শিৱসাগৰ, যোৰহাট, গোলাঘাট আৰু তিনিচুকীয়া জিলাৰ পৰা অহা বহুতো শিক্ষাৰ্থীৰ আগমন যথেষ্ঠ বৃদ্ধি পাইছে। ইয়াৰ ফলস্বৰূপে ডিব্ৰুগড়খনি উচ্চ শিক্ষাৰ কেন্দ্ৰস্থল হৈ পৰিছে। এনে পৰিপ্ৰেক্ষিতত বিশেষকৈ ছাত্ৰ-ছাত্ৰী আৰু সামগ্ৰিকভাৱে সমাজৰ চাহিদা পূৰণৰ বাবে ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ক বিশ্ববিদ্যালয়ৰ মৰ্যাদালৈ উন্নীতকৰণৰ বাবে প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰিবলৈ ডিব্ৰুগড়বাসীয়ে সজোৰে দাবী উত্থাপন কৰে।